PGAS SI 02

অসমীয়া কবিতা

প্রথম ষাণ্মাসিক

অসমীয়া

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° মালিনী গোস্বামী, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়
ড° উপেন ৰাভা হাকাচাম, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়
ড° খগেশ সেন ডেকা, (অৱসপ্রাপ্ত) সহযোগী অধ্যাপক, পূব কামৰূপ মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° নিভা ৰাণী ফুকন,
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
১	ড° পাচান আলি আহমেদ, ----- মহাবিদ্যালয়, ----
২	ড° অপূর্ব ডেকা, আইডল, গুৱাহাটী বিশ্ববিদ্যালয়
৩, ৭ আৰু ৮	অজিৎ কলিতা, পূব কামৰূপ মহাবিদ্যালয়
৪	পৰিণীতা গোস্বামী, গৱেষিকা, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
৫, ৬, ১০ আৰু ১৩	ড° কামালুদ্দিন আহমেদ, গুৱাহাটী বিশ্ববিদ্যালয়
৯, ১২ আৰু ১৪	ড° পূর্ণ ভট্টাচার্য, (অৱসৰপ্রাপ্ত) উপাধ্যক্ষ, গুৱাহাটী বাণিজ্য মহাবিদ্যালয়
১১	ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ ড° লোপা বৰুৱা, (অৱসৰপ্রাপ্ত) উপাধ্যক্ষা, সুৰেন দাস মহাবিদ্যালয়, হাজো
(অধ্যায় ১১)
ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
(অধ্যায় ১, ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯, ১০, ১২, ১৩ আৰু ১৪)

গাঁথনিক সম্পাদনা ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ মে', ২০১৭, দ্বিতীয় প্রকাশ ঃ মে', ২০১৮

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত।

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State University is made available under a Creative Commons Attribution-Non Commercial-ShareAlike4.0 License (International) : http.//creativecommons.org/licenses/by-nc-sa/4.0.

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী-৭৮১ ০১৭
উপমুখ্য কার্যালয় ঃ হাউচ্‌ফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী-৭৮১ ০০৬; Web : www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয় ঃ অসমীয়া কবিতা

এইখন স্নাতকোত্তৰ অসমীয়া পাঠ্যক্ৰমৰ প্ৰথম ষাণ্মাসিকৰ সংশোধিত আৰু পৰিৱৰ্দ্ধিত দ্বিতীয় পাঠ্যবিষয়, অৰ্থাৎ অসমীয়া পাঠ্যক্ৰমৰ দ্বিতীয় পাঠ্যবিষয়। এই পাঠ্যবিষয়ৰ শিৰোনাম 'অসমীয়া কবিতা'। পাঠ্যবিষয়ৰ শিৰোনামটোৰ পৰা পাঠ্যবিষয়ৰ অন্তৰ্গত পাঠসমূহতনো কি অন্তৰ্ভুক্ত হৈছে তাৰ সামান্য আভাস পোৱা যায়। মূল পাঠসমূহত চকু ফুৰালেহে শিক্ষাৰ্থীয়ে স্বৰূপাৰ্থত অসমীয়া কবিতাৰ জগতখন বা অসমীয়া কবিতা ইতিহাসৰ আদি স্তৰৰ পৰা আধুনিক সময়লৈনো কেনে ধৰণৰ পৰিৱৰ্তন, পৰিৱৰ্দ্ধন হৈছে তাৰ লেখ পাব। লোকগীত, চৰ্যাপদ, বৰগীত, ৰোমাণ্টিক কবিতা, যুগসন্ধিৰ কবিতাৰ পৰা আধুনিক কবিতালৈ অসমীয়া কবিতাৰ এই সুদীৰ্ঘ যাত্ৰা অতি আকৰ্ষণীয় তথা চিন্তা উদ্ৰেককাৰী। প্ৰাচীন কবিতাৰ পৰা আধুনিক কবিতালৈ কালানুক্ৰমিক ধাৰাসমূহ নিৰ্বাচন কৰোঁতে অতি সাৱধানতাৰে বিবিধ লক্ষণ বা ধাৰাক প্ৰতিনিধিত্ব কৰা কবিতাসমূহ চয়ন কৰা হৈছে। শিক্ষাৰ্থীৰ বৌদ্ধিক ঔৎসুক্য আৰু পৰীক্ষাকেন্দ্ৰিক উদ্দেশ্য— আটাইকেউটা দিশ সামৰি লৈ কবিতাসমূহৰ আলোচনা প্ৰস্তুত কৰা হৈছে। অৱশ্যে এই স্বশিক্ষণ সামগ্ৰীৰ পুথিখন শিক্ষাৰ্থীৰ বাবে দিক্‌দৰ্শক সঁজুলি মাত্ৰ। আগ্ৰহী শিক্ষাৰ্থীয়ে নিজৰ সৃষ্টিশীলতা আৰু অধ্যয়নশীল মনৰ পৰিচয় দি পাঠ্যবিষয়ৰ পাঠসমূহ ভালদৰে আয়ত্ত কৰি অধ্যয়নৰ পথত সফলতাৰে আগবাঢ়ি যাব পাৰিব।

পাঠ্যবিষয়ৰ প্ৰথমটো কবিতাৰ শিৰোনাম 'অসমীয়া লোকগীত'। ইয়াত চাৰিটা লোকগীত সন্নিৱিষ্ট হৈছে। সেইকেইটা হৈছে— গোৱালপৰীয়া লোকগীত, কামৰূপী লোকগীত, জিকিৰ আৰু দেহ বিচাৰৰ গীত। প্ৰত্যেকটোৰে বিষয়বস্তু, প্ৰেক্ষাপট আৰু গীতৰ লগত জড়িত চেতনা ভিন্ন। মন কৰিবলগীয়া যে গীতকেইটাৰ যি ক্ৰম তাত ঐহিক জীৱনৰ কাম-সম্ভোগজনিত আনন্দ চেতনাই ক্ৰমশঃ উচ্চাত্মিক ভাবনালৈ উধাইছে। অৰ্থাৎ পোনতে আমি পঢ়িবলৈ পাওঁ বিৰহ আতুৰ নাৰীৰ কথা যি তেওঁৰ মৈযাল বন্ধুৰ সান্নিধ্য পাবলৈ ব্যাকুল। পৰৱৰ্তী লোকগীতত শিশুকৃষ্ণ আৰু মাতৃ যশোদাৰ সম্বন্ধৰ মাজেদি বাৎসল্য প্ৰেমৰ অমৃতধাৰা বৰ্ষণ হৈছে। সেই ধাৰাই গৈ যেন জিকিৰসমূহে সন্ধান কৰা পৰম শক্তিশালীজনত আশ্ৰয় লৈছেগৈ য'ত আমি ধূলি ধূসৰিত দেহ নামৰ যন্ত্ৰটোৰ ক্ষণস্থায়িত্বৰ উমান পাওঁ। সেই পৰম তত্ত্বই আমাক অন্য এবিধ পাৰমাৰ্থিক গীত দেহ বিচাৰৰ গীতৰ আস্বাদ লোৱাত সহায় কৰিছে। দ্বিতীয় আৰু চতুৰ্থ অধ্যায় ক্ৰমে 'চৰ্যাপদ' আৰু 'বৰগীত'ত সেই একে আধ্যাত্মিক চেতনাত নিমজ্জিত হ'বলৈ সুযোগ লাভ কৰো। বিশেষকৈ চতুৰ্থ অধ্যায়ত সন্নিৱিষ্ট হোৱা গুৰু দুজনাৰ বৰগীতে ভক্তিৰ পৰাকাষ্ঠা মনোজ্ঞ ৰূপত প্ৰকাশ কৰিছে। যুগ বিভাজন কথা দৃষ্টিত ৰাখি তৃতীয় অধ্যায়ত মাধৱ কন্দলিৰ ৰামায়ণৰ 'ৰাৱণৰ অহংকাৰ' খণ্ডটো সন্নিৱিষ্ট কৰা হৈছে। কন্দলি ৰচিত এই পদ ৰামায়ণখনত চিত্ৰিত হোৱা ৰাৱণ চৰিত্ৰটোৱে শিক্ষাৰ্থীক মাধৱ কন্দলিৰ কাব্য প্ৰতিভাৰ লগত পৰিচয় কৰাই দিব। পৰৱৰ্তী পঞ্চম, ষষ্ঠ, সপ্তম আৰু অষ্টম অধ্যায়ত সন্নিৱিষ্ট হোৱা চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতা *বীণ বৱাগী*, হেমচন্দ্ৰ গোস্বামীৰ *প্ৰিয়তমাৰ চিঠি*, যতীন্দ্ৰনাথ দুৱৰাৰ *শেহত দুয়োটি একতে লীন* আৰু নলিনীবালা দেৱীৰ *নাটঘৰ* কবিতাটোৰ মাজেদি ৰমন্যাসবাদৰ দ্বাৰা প্ৰভাৱিত অসমীয়া কবিতাৰ লক্ষণসমূহৰ লগত শিক্ষাৰ্থী পৰিচিত হ'ব। নৱম অধ্যায়ত 'যুগ সন্ধি'ৰ কবি দেৱকান্ত বৰুৱাৰ কবিতা *কলঙ্ *পাৰত মাজনিশাই* ৰোমাণ্টিকতা আৰু আধুনিকতাৰ আলি-দোমোজাৰ কাব্য চেতনাৰ এটি মনোজ্ঞ ৰূপ প্ৰদৰ্শন কৰিছে। দশম অধ্যায়ত হেম বৰুৱাৰ কবিতা *পোহৰতকৈ এন্ধাৰ ভাল*ৰ আলোচনাই আধুনিক জীৱনৰ জটিলতা আৰু কাব্য কাননত সেই জটিল ভাবচিন্তাই কি ৰূপ পৰিগ্ৰহ কৰিছিল তাক হেম বৰুৱাই প্ৰতীক, চিত্ৰকল্পেৰে সুন্দৰভাবে প্ৰকাশ কৰিছে। একাদশ অধ্যায়ত অমূল্য বৰুৱাৰ *বেশ্যা* কবিতাৰ মাজেদি আধুনিক জীৱনৰ ভালেমান ত্ৰুটি-বিচ্যুতি উন্মোচিত হৈছে। দ্বাদশ, ত্ৰয়োদশ আৰু চতুৰ্দশ অধ্যায়ত সন্নিৱিষ্ট হোৱা নৱকান্ত বৰুৱাৰ কবিতা *বোধিদ্ৰুমৰ খব্বি* আলোচনা, সেই ক্ৰমে নীলমণি ফুকনৰ *গৌৰীনাথ আহিব* আৰু হীৰেন ভট্টাচাৰ্যৰ *লখিমী*ৰ মাজেদি আধুনিক অসমীয়া কবিতাক বৈশিষ্ট্য প্ৰদান কৰা ভালেমান লক্ষণ আৰু তাৰ অন্তৰ্নিহিত বৈষয়িক তাৎপৰ্যৰ আলোচনা পঢ়িবলৈ পাব।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিবিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ

হোৱাত সহায় কৰিব। আকৌ, ‘অগ্রগতি নিৰীক্ষণ’যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহৰ ৰূপৰেখা ‘অগ্রগতিৰ খতিয়ান’ত সন্নিৱিষ্ট কৰা হৈছে। তাৰ সহায়েৰে আপুনি প্রশ্নবোৰৰ উত্তৰসমূহ লিখিবলৈ যত্ন কৰিলে অধিক লাভদায়ক হ’ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে ‘অধিক জানিবলৈ’ শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথি স্বৰূপ। অধ্যায়বোৰৰ শেষত ‘আৰ্হি প্রশ্ন’ হিচাপে কেইটিমান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান ‘প্রসঙ্গ পুথি’ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ’লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

		নম্বৰ বিভাজন	পৃষ্ঠা নং
অধ্যায় ১ ঃ	**অসমীয়া লোকগীত**	৭	৭-৩৪
	লোকগীত; *অ' চেংৰা মৈছেৰ দাফাদাৰ ভাই* ঃ গোৱালপৰীয়া লোকগীত, গীতটিৰ মূল পাঠ, গীতটিৰ সাধাৰণ আলোচনা; *মোৰ বাছা দূৰকে নাযাইবা এ* ঃ কামৰূপী লোকগীত, গীতটিৰ মূল পাঠ, গীতটিৰ সাধাৰণ আলোচনা; *জীৱৰ সাৰথি নাম* ঃ কবি পৰিচয়, জিকিৰৰ সাধাৰণ পৰিচয়, জিকিৰটোৰ মূল পাঠ, জিকিৰটোৰ সাধাৰণ আলোচনা; *কিমতে এৰাইবো মায়াহে গোপাল/কিমতে এৰাইবো মায়া* ঃ দেহবিচাৰৰ গীত, গীতটিৰ মূল পাঠ, গীতটিৰ গূঢ়ার্থ		
অধ্যায় ২ ঃ	**চর্যাপদ**	৮	৩৫-৫৪
	চর্যাপদৰ আঁতিগুৰি ঃ চর্যাপদৰ বিষয়বস্তু আৰু দর্শন, চর্যাপদ আৰু অসমীয়া ভাষা, চর্যাপদৰ লগত দেহবিচাৰৰ গীত আৰু বৰগীতৰ সাদৃশ্য, চর্যাপদত প্রতিফলিত হোৱা তৎকালীন সমাজৰ চিত্র, চর্যাপদৰ কাব্যিক সৌন্দর্য; চর্যা নং ১ৰ মুল পাঠ, শব্দার্থ আৰু ভাবার্থ; চর্যা নং ৮ৰ মুল পাঠ, শব্দার্থ আৰু ভাবার্থ; চর্যা নং ১০ৰ মুল পাঠ, শব্দার্থ আৰু ভাবার্থ		
অধ্যায় ৩ ঃ	**মাধৱ কন্দলিৰ *ৰামায়ণৰ ৰাৱণৰ অহঙ্কাৰ***	৮	৫৫-৭৪
	মাধৱ কন্দলিৰ পৰিচয় ঃ কন্দলিৰ সাহিত্য-কৃতি; *ৰাৱণৰ অহঙ্কাৰ* কাব্যাংশ আৰু ৰাৱণ চৰিত্র ঃ মূল পাঠ, পাঠৰ কথাবস্তুৰ পৰিচয়, মাধৱ কন্দলিৰ অনুবাদ-ৰীতি, মাধৱ কন্দলিৰ *ৰামায়ণৰ* বৈশিষ্ট্য; ৰাৱণ চৰিত্রৰ মনস্তাত্ত্বিক বিশ্লেষণ		
অধ্যায় ৪ ঃ	**বৰগীত**	৭	৭৫-৮৯
	বৰগীতৰ সাধাৰণ পৰিচয়; *নাৰায়ণ কাহে ভকতি কৰো তেৰা* ঃ কবি পৰিচয়, মূল পাঠ আৰু শব্দার্থ নিৰূপণ, বিষয়বস্তুৰ সাধাৰণ আভাস, আধ্যাত্মিক ভাবৰ প্রকাশ; *আলো মঞি কি কহবো দুখ*ঃ কবি পৰিচয়, মূল পাঠ আৰু শব্দার্থ নিৰূপণ, বিষয়বস্তুৰ আভাস, গীতটিৰ বিশ্লেষণ, কাব্যিক সৌন্দর্য		
অধ্যায় ৫ ঃ	**চন্দ্রকুমাৰ আগৰৱালা ঃ *বীণ-বৰাগী***	৭	৯০-১১৫
	ৰমন্যাসবাদ আৰু ৰমন্যাসবাদী কবিতাৰ বৈশিষ্ট্য; অসমীয়া ৰমন্যাসবাদী কবিতাৰ সাধাৰণ আলোচনা; *বীণ-বৰাগী* ঃ কবি পৰিচয়, কবিতাটিৰ মূল পাঠ, কবিতাটিৰ বিষয়বস্তু; কবি হিচাপে চন্দ্রকুমাৰ আগৰৱালাৰ মূল্যায়ন		
অধ্যায় ৬ ঃ	**হেমচন্দ্র গোস্বামী ঃ *প্রিয়তমাৰ চিঠি***	৭	১১৬-১২৭
	ইংৰাজী সাহিত্যৰ ছনেট কবিতা; অসমীয়া ছনেট বা চতুর্দশপদী কবিতা; *প্রিয়তমাৰ চিঠি* ঃ কবি পৰিচয়, হেমচন্দ্র গোস্বামীৰ কবিতা, কবিতাটিৰ সাধাৰণ আলোচনা, কবিতাটিত ৰমন্যাসিক চিন্তাৰ প্রতিফলন		
অধ্যায় ৭ ঃ	**যতীন্দ্র নাথ দুৱৰা ঃ *শেহত দুয়োটি একতে লীন***	৭	১২৮-১৪৩
	কথা-কবিতা ঃ সাধাৰণ পৰিচয়; *শেহত দুয়োটি একতে লীন* ঃ কবি পৰিচয়, কবিতাটিৰ মূল পাঠ, কবিতাটিৰ বিষয়বস্তু; কবিতা আৰু দর্শনৰ সম্পর্ক; কবি হিচাপে যতীন্দ্র নাথ দুৱৰাৰ মূল্যায়ন		

অধ্যায় ৮ ঃ **নলিনীবালা দেৱী ঃ *নাটঘৰ*** ৭ ১৪৪-১৬৪

ৰহস্যবাদ ঃ সাধাৰণ পৰিচয়; *নাটঘৰ* ঃ কবি পৰিচয়, কবিতাটিৰ মূল পাঠ, কবিতাটিৰ বিষয়বস্তু, কবিতাটিত প্ৰতিফলিত হোৱা ৰহস্যবাদী চেতনা; অসমীয়া কবিতাত ৰহস্যবাদ আৰু নলিনীবালা দেৱী; কবি হিচাপে নলিনীবালা দেৱীৰ মূল্যায়ন

অধ্যায় ৯ ঃ **দেৱকান্ত বৰুৱা ঃ *কলঙ্‌পাৰত মাজনিশা*** ৭ ১৬৫-১৮৩

যুগসন্ধি স্তৰৰ অসমীয়া কবিতা ঃ সাধাৰণ আলোচনা; *কলঙ্‌পাৰত মাজনিশা* ঃ কবি পৰিচয়, কবিতাটোৰ মূলপাঠ, কবিতাটোৰ বিষয়বস্তু, কবিতাটিত প্ৰতিফলিত যুগসন্ধিৰ চিন্তা; কবি হিচাপে দেৱকান্ত বৰুৱাৰ মূল্যায়ন

অধ্যায় ১০ ঃ **হেম বৰুৱা ঃ *পোহৰতকৈ এন্ধাৰ ভাল*** ৭ ১৮৪-২০৯

আধুনিক কবিতা আৰু আধুনিক কবিতাৰ বৈশিষ্ট্য; অসমীয়া আধুনিক কবিতাৰ সাধাৰণ আলোচনা; *পোহৰতকৈ এন্ধাৰ ভাল* ঃ কবি পৰিচয়, কবিতাটিৰ মূল পাঠ, কবিতাটিৰ বিষয়বস্তু, কবিতাটিত হোৱা আধুনিক চিন্তাৰ প্ৰতিফলন, কবি হিচাপে হেম বৰুৱাৰ মূল্যায়ন

অধ্যায় ১১ ঃ **অমূল্য বৰুৱা ঃ *বেশ্যা*** ৭ ২১০-২৩১

বেশ্যা ঃ কবি পৰিচয়, কবিতাটিৰ মূল পাঠ, কবিতাটিৰ বিষয়বস্তু, কবি হিচাপে অমূল্য বৰুৱাৰ মূল্যায়ন

অধ্যায় ১২ ঃ **নৱকান্ত বৰুৱা ঃ *বোধিদ্ৰুমৰ খৰি*** ৭ ২৩২-২৪৯

আধুনিক অসমীয়া কবিতা আৰু নৱকান্ত বৰুৱা; *বোধিদ্ৰুমৰ খৰি* ঃ কবি পৰিচয়, কবিতাটিৰ মূল পাঠ, কবিতাটিৰ বিষয়বস্তু, কবি হিচাপে নৱকান্ত বৰুৱাৰ মূল্যায়ন

অধ্যায় ১৩ ঃ **নীলমণি ফুকন ঃ *গৌৰীনাথ আহিব*** ৭ ২৫০-২৬০

নীলমণি ফুকন আৰু তেওঁৰ কাব্য চিন্তা; *গৌৰীনাথ আহিব* ঃ কবি পৰিচয়, কবিতাটিৰ মূল পাঠ, কবিতাটিৰ বিষয়বস্তু, কবিতাটিত আধুনিক চিন্তাৰ প্ৰতিফলন, আধুনিক কবি হিচাপে নীলমণি ফুকনৰ মূল্যায়ন

অধ্যায় ১৪ ঃ **হীৰেন ভট্টাচার্য ঃ *লখিমী*** ৭ ২৬১-২৭৫

লখিমী ঃ কবি পৰিচয়, কবিতাটিৰ মূল পাঠ, কবিতাটিৰ বিষয়বস্তু, কবিতাটিৰ সাধাৰণ আলোচনা, কবি হিচাপে হীৰেন ভট্টাচার্যৰ মূল্যায়ন

প্ৰসঙ্গ পুথি ২৭৬-২৭৮